# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-March-2026
**Time :** 1845 HRS

# *Assamese Evening Bulletin*

———————————————————

## HEADLINES
**:::::::::::::::::::**

১। বিধানসভা নিৰ্বাচনৰ বাবে শাসক বিৰোধী উভয়ৰে প্ৰচাৰ তুংগত। বিজেপিৰ সংকল্পপত্ৰ মুকলি।

২। ৰাজ্যৰ বিভিন্ন জিলাত জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ভোটদাতাৰ বাবে বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত।

৩। কাইলৈৰ পৰা দেশৰ ষোড়শ লোকপিয়ল। দুটা পৰ্যায়ত পিয়লৰ প্ৰস্তুতি।

৪। যশস্বী কবি-গীতিকাৰ কেশৱ মহন্তৰ আজি স্মৃতি দিৱস উপলক্ষে আজি শ্ৰদ্ধা নিবেদন। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাৱ কিংছ আৰু গুজৰাট টাইটানছ মুখামুখি।

ooooo

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৮টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি দেৰগাঁৱত প্ৰচাৰ চলায়। শীতল পথাৰত জনসভাত অংশ লৈ মন্ত্ৰীগৰাকীয়ে গোলাঘাট আৰু যোৰহাট জিলাৰ এন ডি এ প্ৰাৰ্থী দুগৰাকীৰ হৈ প্ৰচাৰ চলায়। ইয়াৰ আগেয়ে শ্ৰী সিঙে তেজপুৰত প্ৰচাৰ সভাত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়।

***(বাইট)***

বিজেপিৰ নেত্ৰী স্মৃতি ইৰাণীয়ে আজি ধেমাজিৰ চিমেনমুখ কুলীবজাৰ অঞ্চলত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তেওঁ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূবন পেগুৰ হৈ প্ৰচাৰ চলায়। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিচে আজি যোৰহাটৰ এটি টি ৰোডত আয়োজিত প্ৰচাৰ সভাত অংশ লৈ সমষ্টিটোৰ বিজেপিৰ প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীৰ হৈ প্ৰচাৰ চলায়। এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, যোৰহাট বিজেপিৰ সভাপতি শান্তনু পূজাৰীকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে ৰহা, ডিমৰীয়া, বৰক্ষেত্ৰী আৰু কমলপুৰত প্ৰচাৰ অভিযানত অংশ লৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিগবৈ আৰু মাকুমত আয়োজিত জনসভাত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ধেমাজিৰ গোগামুখ আৰু বিশ্বনাথৰ বিহালীত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বাবে অসমত উপস্থিত হ'ব। ৬ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে মৰাণ, বৰপেটা আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কাইলৈ দেৱব্ৰত শইকীয়া, লুৰিণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত নিৰ্বাচনী প্ৰচাৰ চলাব। ২ এপ্ৰিলত কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈ, কামৰূপ মহানগৰ জিলাৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন

আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। দিছপুৰৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে সাংবাদিকৰ আগত এইদৰে কয়–

*(বাইট ঃ মীৰা)*

A I M I M দলৰ সভাপতি আছাদুদ্দিন ওৱেইছীয়ে অহা ২ এপ্ৰিলত ৰূপহীহাট, চামগুৰি, দ'লগাওঁ, ধিং, লাহৰীঘাটত আৰু ৩ এপ্ৰিলত বিন্নাকান্দি, গোৱালপাৰা পূব, ধুবুৰী, চেঙা আৰু মন্দিয়াত এ আই ইউ ডি এফৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেত্ৰী তথা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত দলৰ সংকল্পপত্ৰ মুকলি কৰে। সংকল্পপত্ৰত সুৰক্ষিত অসম, বিকশিত অসম বিষয়বস্তুৰ অধীনত ৩১ টা প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছে। সংকল্পপত্ৰত চৰকাৰী ভূমি দখলমুক্ত কৰা, ১৯৫০ চনৰ অনুপ্ৰৱেশকাৰী বহিষ্কাৰ আইনৰ ৰূপায়ণ আৰু যোগ্য নাগৰিকসকলক ভূমিপট্টা প্ৰদানৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰি ষষ্ঠ অনুসূচীৰ অধীনৰ আৰু জনজাতি বসতিপ্ৰধান এলেকাসমূহৰ বাহিৰে ৰাজ্যৰ বাকী অংশত উমৈহতীয়া দেৱানীবিধিৰ প্ৰস্তাৱ দিয়া হৈছে। দলটোৱে দুই লাখ চৰকাৰী চাকৰি প্ৰদান আৰু অষ্টম দৰমহা আয়োগৰ পৰামৰ্শৱলী ৰূপায়ণৰো প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। সংকল্পপত্ৰত অৰুণোদয় আঁচনিৰ অধীনত প্ৰদান কৰা সাহায্য তিনি হাজাৰ টকালৈ বৃদ্ধি কৰাৰ আৰু প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ বিনামূলীয়া শিক্ষা প্ৰদানৰ প্ৰস্তাৱ দিয়া হৈছে। দলটোৱে ৰাজ্যৰ এক্সপ্ৰেছৱে আৰু বন্দে ভাৰত ৰে'ল প্ৰকল্পৰ বিনিয়োগৰ প্ৰস্তাৱ আগবঢ়াইছে।

এই অনুষ্ঠানত দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি দলৰ কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ ৮৫ বছৰ বয়সৰ উৰ্ধৰ আৰু বিশেষভাৱে সক্ষম ২৬ হাজাৰ যোগ্য ভোটদাতাৰ বাবে বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া কালি আৰম্ভ কৰা হয়। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে জ্যেষ্ঠ নাগৰিকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। বিশেষভাৱে সক্ষম ভোটদাতাৰ ঘৰতো ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰিটাৰ্নিং বিষয়াসকলে অনুমোদন দিয়া মুঠ ১৯ হাজাৰ ৭৭৪ গৰাকী জ্যেষ্ঠ নাগৰিক আৰু ছহেজাৰ ৬৩৮ গৰাকী বিশেষভাৱে সক্ষম লোকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হ'ব। অসমৰ উপৰি কেৰালাম আৰু পুডুচেৰীত ৫ এপ্ৰিলৰ পূৰ্বে এই ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ভোটগ্ৰহণকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ সময়ত কোনো ভোটদাতা বাসগৃহত উপস্থিত নাথাকিলে দ্বিতীয়বাৰৰ বাবে গৈ ভোটগ্ৰহণ কৰিব লাগিব বুলি কোৱা হৈছে।

কাৰ্বি আংলং জিলাত এই প্ৰক্ৰিয়াৰ অধীনত জিলা প্ৰশাসনে চিনাক্ত কৰা দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাসগৃহলৈ গৈ বিষয়াসকলে ভোটগ্ৰহণ কৰিছে।

চিৰাং জিলাতো আজিৰে পৰা গৃহ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। জিলাখনত মুঠ ৫১৯ গৰাকী ভোটদাতাই এই সুবিধা লাভ কৰিব।

দৰং জিলাতো বিধানসভা নিৰ্বাচনৰ বাবে জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলৰ বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই সন্দৰ্ভত এগৰাকী ভোটগ্ৰহণকাৰী বিষয়াই এইদৰে কয় –

**বাইট**

নলবাৰী জিলা নিৰ্বাচনী বিভাগে জিলাখনৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটদাতাৰ ঘৰলৈ গৈ ভোটগ্ৰহণ কৰি আছে। জিলাখনত কাইলৈও এই প্ৰক্ৰিয়া অব্যাহত থাকিব।

বৰপেটা আৰু বঙাইগাঁও জিলাতো ঘৰে ঘৰে গৈ ৮৫ বছৰ উৰ্ধৰ আৰু দিব্যাংগ লোকৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। বৰপেটাত বিশেষভাৱে গঠিত ২২টা ভোটগ্ৰহণকাৰী দল মাধৱ চৌধুৰী মহাবিদ্যালয়ত স্থাপন কৰা ইভিএম বিতৰণ

কেন্দ্ৰৰ পৰা ৰাওনা হয়। বিয়লি তেওঁলোকে প্ৰথম দিনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত কৰি পুনৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ উভতি আহে। বৰপেটা নিৰ্বাচনী জিলাৰ চাৰিটা বিধানসভা সমষ্টি ক্ৰমে বৰপেটা, চেঙা, মন্দিয়া আৰু পাকাবেতবাৰীত মুঠ ৫৫৯গৰাকী ভোটাদাতাৰ ঘৰত ভোটগ্ৰহণ কৰা হ'ব বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰি কৰে।

ooooo

ভোটদানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত ৰাজ্যত এলানি বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে নাগৰিকসকলৰ মাজত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি দায়বদ্ধতা সৃষ্টি কৰিবলৈ অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ তত্বাৱধানত জিলাই জিলাই ভোট দাতাৰ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ইয়াৰ অংশ হিচাপে বাটৰ নাট, চিত্ৰাংকন প্ৰতিযোগিতা, আল্পনা প্ৰতিযোগিতা, শ্লোগান লিখন, দেৱাল লিখন, বাতৰি পৰিৱেশন আৰু পোষ্টৰ প্ৰস্তুতকৰণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাত ভোটদাতাসকলক আকৰ্ষণৰ বাবে শুভংকৰ মুকলি কৰাৰ উপৰি জনপ্ৰিয় ব্যক্তিত্বক আইকন হিচাপে লৈ সজাগতা সৃষ্টি কৰা হৈছে। শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু ছুইপ কোষৰ সহযোগত আজি ঐতিহাসিক বৰপুখুৰী পাৰ হৈ শিৱসাগৰ নগৰৰ মাজেৰে ভোটদাতাৰ সজাগতা বৃদ্ধিৰ বাবে চাইকলে আৰু মটৰ চাইকেল সমদল উলিওৱা হয়। জিলা আয়ুক্ত মৃদুল যাদৱে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা এই সমদলক ছুইপ আইকন পেৰাচাইক্লিষ্ট ৰাজেশ বণিকে নেতৃত্ব দিয়ে। নিৰ্বাচনত সকলো ভোটদাতাৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে চাইকেল সমদলেৰে সজাগ কৰাৰ প্ৰয়াস কৰা হয়। ওদালগুৰি জিলাতো ছুইপ কোষৰ উদ্যোগত ভেৰগাঁও আৰু টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত সজাগতা কাৰ্যসূচী অব্যাহত আছে। কাৰ্যসূচীৰ অধীনত ভোটদাতাসকলৰ মাজত কুইজ আৰু শ্লোগান লিখন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ইপিনে লখিমপুৰ জিলাত শুভংকৰ **বাখৰ**, শোণিতপুৰত **গণবন্ধু**, যোৰহাটত **যোলৌ**, গোলাঘাটত **চামেলি** আৰু কোকৰাঝাৰৰ শুভংকৰ **ডিমলু আৰু চিখিৰি**য়ে জসাধাৰণক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। যোৰহাটত অভিনৱ বৰাক আৰু লখিমপুৰত ৰাজীৱ দুৱৰীক ছুইপ আইকন হিচাপে লোৱা হৈছে। নিৰ্বাচনৰ ৰাজ্যিক আইকন পেৰাচাইক্লিষ্ট ৰাকেশ বনিকে জিলাসমূহত আয়োজন কৰা বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিছে।

ooooo

২০২৭ৰ লোকপিয়ল কাইলৈ আৰম্ভ হ'ব। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। এয়া হ'ব দেশৰ ষোড়শ আৰু স্বাৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়ল। এই লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। দেশত প্ৰথমবাৰৰ বাবে এইবাৰ সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হ'ব আৰু এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখ কৰ্মচাৰীক নিয়োজিত কৰা হৈছে।

ooooo

গীত আৰু কাব্য সৃষ্টিৰে অসমীয়া সাহিত্য তথা সংগীতক সমৃদ্ধ কৰি থৈ যোৱা যশস্বী কবি-গীতিকাৰ কেশৱ মহন্তৰ আজি স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধা নিবেদন কৰা হৈছে। গীত-কবিতাৰ লগতে সাংবাদিকতা আৰু শিক্ষাৰ ক্ষেত্ৰলৈও অনবদ্য অৱদান আগবঢ়োৱা মহন্তই ২০০৬ চনৰ আজিৰ দিনটোতে শেষ নিশ্বাস ত্যাগ কৰিছিল। 'মোৰ শুকান কলিজাত কুঁহিপাত আগন্তুক'কে ধৰি ৮খন কবিতা পুথি, ৯খন অনুবাদ সাহিত্য, 'মা আমি শদিয়ালৈ যামেই' আৰু অন্যান্য শিশু সাহিত্য, কমেও ১০খন চলচ্চিত্ৰৰ বাবে গীত ৰচনা কৰা গীতিকাৰ গৰাকীয়ে ৰ'দ জিকিমিকি, মোৰ যে কিমান হেঁপাহ, বুকুত এজাক ধুমুহাকে ধৰি ৫ খন গীতৰ পুথি ৰচনা কৰিছিল।

আজি তেওঁৰ স্মৃতি দিৱস উপলক্ষে গুণমুগ্ধসকলে তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কেশৱ মহন্তৰ স্মৃতি দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত অসমীয়া সাহিত্য আৰু সংগীত জগতক এইজনা পুৰোধাই সৃষ্টিশীলতাৰে অনন্য উচ্চতালৈ লৈ গৈছিল বুলি প্ৰকাশ কৰি বৰেণ্য অসমীয়াগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬ বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অনলাইন পঞ্জীয়নৰ বাবে কাইলৈৰ পৰা প'ৰ্টেল মুকলি কৰিব। এই অনলাইন পঞ্জীয়নৰ অহা ১৫ মে'ত অন্ত পৰিব। এই সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৰাজ্যৰ সকলো হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু অধ্যক্ষলৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাত উল্লেখ কৰা মতে পঞ্জীয়নৰ বাবে সংশ্লিষ্ট বিদ্যালয়ে ১১ টা সংখ্যাৰ ইউডাইচ কোড প্ৰদান কৰাটো বাধ্যতামূলক। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ জন্মৰ প্ৰমাণপত্ৰ, আধাৰ কাৰ্ডৰ নাম্বৰ, আপাৰ আই ডিকে ধৰি অন্যান্য নথিসমূহ প্ৰয়োজন হ'ব বুলি নিৰ্দেশনাত কোৱা হৈছে।

ooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দ্বিতীয়টো শুনানি আজি অনুষ্ঠিত হয়। শুনানিকালত অমৃতপ্ৰভা, সিদ্ধাৰ্থ আৰু শ্যামকানুৰ অধিবক্তাই যুক্তি আগবঢ়ায়। অভিযুক্তকেইজনৰ অধিবক্তাই কাইলৈও যুক্তি আগবঢ়াব।

ooooo

আজি কামৰূপ জিলাৰ প্ৰতিষ্ঠা দিৱস। এই উপলক্ষে জিলা প্ৰশাসনৰ উদ্যোগত আমিনগাঁৱৰ বায়'টেক পাৰ্কত আয়োজিত অনুষ্ঠানক শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ডং মণি শৰ্মাই বন্তি প্ৰজ্বলন কৰে। সভাত বিশিষ্ট বুৰঞ্জীবিদ ড০ নিত্যানন্দ গগৈ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। গগৈয়ে তেওঁৰ ভাষণত কামৰূপ জিলাৰ ঐতিহ্যৰ লগতে কামৰূপ জিলাৰ বুৰঞ্জী সন্দৰ্ভত বিশদভাৱে বৰ্ণনা কৰে। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সভাত সভাপতিত্ব কৰি এইদৰে কয়।

বাইট -দেৱ কুমাৰ মিশ্ৰ

বন্তি প্ৰজ্বলন অনুষ্ঠানৰ পাছতে এখন আলোচনা চক্ৰৰ আয়োজন কৰা হয়। এই আলোচনাচক্ৰত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নৰকান্ত অধিকাৰী, সাহিত্যিক ড০ জ্ঞানদা নাথৰ লগতে কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতা উপস্থিত থাকে। অনুষ্ঠানত অভিনেতা নয়ন কুমাৰ দাসো উপস্থিত থাকে।

ooooo

সমাগত বিধানসভা নিৰ্বাচন উপলক্ষে পশ্চিম কাৰ্বি আংলঙৰ জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ নতুন ভৱনত আজি ই ভি এম আৰু ভি ভি পেটসমূহ কাৰ্যক্ষম কৰি তোলা হয়। দেশৰ নিৰ্বাচনী আয়োগৰ নিৰ্দেশমৰ্মে আজি জিলাখনৰ দুটাকৈ বিধানসভা সমষ্টি  ক্ৰমে ৰংখাং আৰু আম্ৰিৰ প্ৰতিটো ভোটকেন্দ্ৰভিত্তিক ই ভি এম আৰু ভি ভি পেটসমূহত প্ৰাৰ্থীৰ নামসহ বেলট পেপাৰ আৰু প্ৰতীক চিহ্ন স্থাপন কৰা হয়। দুয়োটা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া, সহ ৰিটাৰ্ণিং বিষয়া আৰু নিৰ্বাচনত প্ৰতিনিধিত্ব কৰা প্ৰতিটো ৰাজনৈতিক দলৰ নিৰ্বাচিত সদস্যই এই কাৰ্যসূচীত অংশগগ্ৰহণ কৰে। ইয়াৰোপৰি ৫ শতাংশ ই ভি এম আৰু ভি ভি পেটত প্ৰস্তুতিমূলক ভোটদান পৰীক্ষাও কৰা হয় বুলি জিলা নিৰ্বাচনী বিষয়া প্ৰীতি কুমাৰীয়ে পশ্চিম কাৰ্বি আংলং জিলাৰ আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে।

শ্ৰীভূমি নিৰ্বাচনী জিলাৰ অন্তৰ্গত কৰিমগঞ্জ মহাবিদ্যালয়তো  সমাগত বিধানসভা নিৰ্বাচন উপলক্ষে আজি ই ভি এম আৰু ভি ভি পেটসমূহ কাৰ্যক্ষম কৰি তোলা হয়। এই প্ৰক্ৰিয়াত জিলাখনৰ ৪টা বিধানসভা সমষ্টি ক্ৰমে কৰিমগঞ্জ উত্তৰ, কৰিমগঞ্জ দক্ষিণ, পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰৰ বাবে এই ই ভি এম আৰু ভি ভি পেটসমূহত প্ৰাৰ্থীৰ নামসহ বেলট পেপাৰ আৰু প্ৰতীকসমূহ স্থাপন কৰা হয়।

ooooo

আসন্ন নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। কাৰ্বি আংলং জিলাত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ আৰু শৃংখলাবদ্ধভাৱে পৰিচালনাৰ বাবে প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলক ডিফুৰ ৰেংবংসম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰশিক্ষণ দিয়া হৈছে। জিলাখনৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে আঠ হাজাৰ দুই শতাধিক নিৰ্বাচনী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। শিৱসাগৰ জিলাতো প্ৰশাসনে নিৰ্বাচনী কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লৈছে। আন্তঃগাঁথনি উন্নীত কৰণ, নিৰ্বাচনী কোষ গঠন, নিৰ্বাচনী আচৰণবিধি কাৰ্যকৰীকৰণৰ লগতে ভোটদাতাক সজাগ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে। উল্লেখযোগ্য যে, বিধানসভা নিৰ্বাচনত বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ সক্ষম নামৰ ম'বাইল এপ প্ৰস্তুত কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনেও নিৰ্বাচনৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। আজি পুৱা ই ভি এম, ভি ভি পেটসমূহৰ পৰীক্ষণ কাৰ্যসূচী সম্পন্ন হয়। ভোটগ্ৰহণ প্ৰক্ৰিয়া ত্ৰুটিমুক্ত কৰাৰ বাবে এই প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাৱৰ মুল্লানপুৰত হ'বলগীয়া এখন খেলত পাঞ্জাৱ কিংছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েল্‌ছে চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে।

ooooo

সমাপ্ত